# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-04-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মায়ো প্ৰতিদিনে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ডিব্ৰুগড়ত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই জিলাখনৰ টিংখাং বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। এই উপলক্ষে টিংখাং উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত বিজয় সংকল্প সভাত তেওঁ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজলৈ আহ্বান জনায়। এই নিৰ্বাচনী সভাত মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকনৰ লগতে জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিৰ বিধায়ক, জিলা সভাপতি, সম্পাদক উপস্থিত থাকে।

শিৱসাগৰ নগৰৰ সমীপৰ দৰিকাপাৰ নাওজান গাঁৱত মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পীযূষ হাজৰিকাই নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপি নেতা হাজৰিকাই পঞ্চায়ত নিৰ্বাচনত বিজেপি আৰু মিত্ৰদল অসম গণ পৰিষদৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজলৈ আহ্বান জনায়। প্ৰচাৰ সভাত সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, বিধায়ক সুশান্ত বৰগোহাঁই উপস্থিত থাকে।

ধেমাজি জিলাত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে দলীয় প্ৰাৰ্থীৰ হৈ ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায়। বিজেপি মিত্ৰজোঁটক উৎখাত কৰাৰ স্বাৰ্থত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীক ভোট দিবলৈ লুৰীণজ্যোতি গগৈয়ে আহ্বান জনায়। অসম জাতীয় পৰিষদৰ নেতাজনে প্ৰায় ৫০ কিলোমিটাৰ মটৰচাইকেল ৰেলীত অংশগ্ৰহণ কৰি বিৰোধী সমৰ্থিত প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

০০০০০

পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিভিন্ন জিলা প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। গোলাঘাট জিলা প্ৰশাসনেও নিৰ্বাচন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ ফৰকাটিং মহাবিদ্যালয়ত পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে।

০০০০০

তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে আজি কৰ্দৈগুৰি গাঁও পঞ্চায়ত এলেকাৰ খহনীয়া প্ৰৱণ অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। জিলা আয়ুক্তগৰাকীয়ে খহনীয়াত ক্ষতিগ্ৰস্ত ৮টা পৰিয়ালৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকক পুনৰ সংস্থাপন দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। তেওঁ লগতে ক্ষতিগ্ৰস্ত পৰিয়ালকেইটাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজহচক্ৰ বিষয়াক নিৰ্দেশ দিয়ে। মথাউৰি মেৰামতি আৰু খহনীয়া ৰোধৰ কাম শীঘ্ৰেই আৰম্ভ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে।

০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱা লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত মদাৰখাট মৌজাত অহা প্ৰবল বৃষ্টিপাত আৰু ধুমুহাৰ ফলত বহু ঘৰ, বিদ্যালয়, নামঘৰকে ধৰি বহু সা-সম্পত্তিৰ বিস্তৰ হৈছে। মদাৰখাটৰ হাতখোলা, হাবিচুক, ৰাঙলিটিং, টিমনা, তামুলবাৰী চাহ বাগিচাত ধুমুহাই ঘৰ-দুৱাৰ ভাঙি পেলোৱাৰ লগতে প্ৰকাণ্ড গছ উভালি পৰে। প্ৰচণ্ড ধুমুহাৰ ফলত খুঁটা বাগৰি বিদ্যুৎ সেৱাও ব্যাহত হৈ পৰিছে। তদুপৰি প্ৰবল বৃষ্টিপাত আৰু ধুমুহাৰ ফলত ৰবি শস্যৰ বিস্তৰ ক্ষতি হয়। গাঁওপ্ৰধান সকলে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শনৰ অন্তত ৰাজহ চক্ৰ বিষয়া তথা জিলা প্ৰশাসনৰ ওচৰত ক্ষয়-ক্ষতিৰ পৰিমাণ দাখিল কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দি আক্ৰমণকাৰীক উচিত প্ৰত্যুত্তৰ দিয়া হব বুলি সকিয়াই দিছে। আকাশবাণীৰ আজিৰ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি এইদৰে কয়। তেওঁ কয়, যে এই আক্ৰমণৰ দ্বাৰা আক্ৰমণকাৰীসকলে কাপুৰুষালিৰ পৰিচয় দিছে। শ্ৰীমোদীয়ে এই সন্ত্ৰাসবাদৰ বিৰুদ্ধে দেশৰ জনতা একগোট হোৱাৰ লগতে বিশ্বৰ ১৪০ খন দেশে ভাৰতৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰাটোক দেশৰ বাবে শক্তিদায়ক বুলি অভিহিত কৰে। তেওঁ লগতে কয়, যে দেশৰ জনসাধাৰণে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুঁজ দিবলৈ সংকল্প লোৱাটোৱেই এই একতাৰ ভেঁটি।

দুদিন পূৰ্বে দেহাৱসান ঘটা ইছৰোৰ প্ৰাক্তন অধ্যক্ষ ড০ কে কস্তুৰীৰংগনৰ স্মৃতি সুঁৱৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশে এগৰাকী মহান বিজ্ঞানীক হেৰুৱালে।

যোৱা মাহত ম্যানমাৰত হোৱা বিধবংসী ভূমিকম্পৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে ভাৰতে অপাৰেচন ব্ৰহ্মৰ জৰিয়তে তাৎক্ষণিকভাৱে দেশখনলৈ সাহায্য সামগ্ৰী পঠোৱাৰ লগতে উদ্ধাৰ অভিযানতো সহায় কৰিছে।

ইথিঅ'পিয়া আৰু আফ্ৰিকাত বাস কৰা ভাৰতীয় মূলৰ লোকসকলৰ উদ্ভাৱনীমূলক প্ৰচেষ্টাৰ শলাগ লৈ তেওঁ কয়, যে তেওঁলোকে জন্মৰে পৰা হাওঁফাওঁৰ সমস্যাত ভোগা শিশুসকলক চিকিৎসাৰ বাবে ভাৰতলৈ পঠিয়াই আহিছে। এনে বহু শিশুক ভাৰতীয় মূলৰ বহু পৰিয়ালে আৰ্থিকভাৱেও সহায় আগবঢ়াইছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত মুম্বাই ইণ্ডিয়ানছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক জয়ৰ বাবে ২১৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত হাৰি প্ৰথমে বেটিঙৰ আমন্ত্ৰণ লাভ কৰা মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২১৫ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ ৰায়ন ৰিকেল্টনে ৫৮, সূৰ্য কুমাৰ যাদৱে ৫৪, উইল জেকছে ২৯ আৰু নমন ধীৰে ২৫ ৰাণৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌৰ হৈ মায়ংক যাদৱ আৰু আভেশ খানে দুটাকৈ দখল কৰে।

০০০০০

সমাপ্ত